# অসমীয়া পৌৰাণিক উপন্যাস বিচাৰ আৰু বিশ্লেষণ

সদৌ অসম লেখিকা সমাৰোহ সমিতি

ISBN 978-93-85230-85-1

অসমীয়া পৌৰাণিক উপন্যাস : বিচাৰ আৰু বিশ্লেষণ

সদৌ অসম লেখিকা সমাৰোহ সমিতি

অসমীয়া পৌৰাণিক উপন্যাস
বিচাৰ আৰু বিশ্লেষণ

সম্পাদনা :
ড° গীতা সৰকাৰ

সদৌ অসম লেখিকা সমাৰোহ সমিতি

ASOMIYA PAURANIC UPANYAS : BISAR ARU BISLESHAN :
A collection of articles on Assamese Mythological Novels by eminent woman writers, edited by Dr. Gita Sarker,
published by Sadou Asom Lekhika Samaroh Samitee.

First Edition : January, 2020 Price : 250/-

প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০২০

প্ৰকাশক ঃ সদৌ অসম লেখিকা সমাৰোহ সমিতি

ISBN : 978-93-85230-85-1

© প্ৰকাশক

**সম্পাদনা সমিতি**

উপদেষ্টামণ্ডলী ঃ ড° সুখ বৰুৱা, প্ৰাক্তন সভানেত্ৰী, স.অ.লে.স.স.
শ্ৰী আভা বৰা, সভানেত্ৰী, স.অ.লে.স.স.
ড° চাৰু চহৰীয়া নাথ, কাৰ্যকৰী সভানেত্ৰী, স.অ.লে.স.স.
শ্ৰীপদুমী গগৈ, উপ-সভানেত্ৰী, স.অ.লে.স.স.
শ্ৰীদৰ্পণা বৰা নেওগ, প্ৰধান সম্পাদিকা, স.অ.লে.স.স.
শ্ৰীকল্পনা কলিতা, প্ৰকাশন সচিব, স.অ.লে.স.স.

সম্পাদিকা ঃ ড° গীতা সৰকাৰ

সদস্যা ঃ শ্ৰীনীলিমা চক্ৰৱৰ্তী, শ্ৰীনীলিমা বৰা।

ডিটিপি ঃ আনোৱাৰ হুছেইন

বেটুপাত আৰু অঙ্গসজ্জা ঃ প্ৰদীপ চন্দ্ৰ বৰুৱা

মূল্য ঃ ২৫০.০০ টকা

বিতৰক আৰু মুদ্ৰক ঃ
এন এল পাব্লিকেচনছ
পাণবজাৰ, গুৱাহাটী-১

# আগকথা



সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে প্ৰতি দ্বিবাৰ্ষিক অধিবেশনতে এলানি বাছকবনিয়া গ্ৰন্থ প্ৰকাশ কৰি আহিছে। এইবাৰো সমিতিয়ে কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰি উলিয়াবলৈ সিদ্ধান্ত লয়। অসমীয়া ভাষাত ইতিমধ্যে ৰামায়ণ মহাভাৰতক কৰি ভালেকেইখন পৌৰাণিক উপন্যাস প্ৰকাশ পাইছে। এই উপন্যাসসমূহত লেখকসকলে নিজ দৃষ্টিভঙ্গীৰে অতীতৰ কাহিনীকে নৰূপত সজাই পৰাই পাঠক সমাজলৈ আগবঢ়াই দিছে। পুৰণি কাহিনীবোৰৰ জুমুঠিত নতুন চিন্তাৰ প্ৰলেপ সানি আজিৰ পাঠকৰ গ্ৰহণযোগ্য হোৱাকৈ নতুন কাহিনী সজাই উলিওৱা হৈছে, যিবোৰে পাঠক সমাজৰ পৰা বিপুল সঁহাৰি লাভ কৰিছে। তাহানি পদ্মনাথ গোহাঞিবৰুৱাই 'কৃষ্ণকথা'ৰ অৱলম্বনেৰে 'শ্ৰীকৃষ্ণ' নামকৰণেৰে যিখন পৌৰাণিক উপন্যাস লিখি থৈ গৈছে সেইখন অসমীয়া সাহিত্যৰ সৰ্বকালৰ আৰু সৰ্বযুগৰ সমাদৃত গ্ৰন্থ। বৰ্ত্তমান সময়ত প্ৰাচীন সাহিত্যৰ ওপৰত ভিত্তিকৰি লেখক-লেখিকাসকলে নিজৰ কল্পনাৰে সময়ৰ লগত খাপ খোৱাকৈ নকৈ সাহিত্য ৰচনা কৰিছে। ইংৰাজী ভাষাত অমীশে শিৱৰ কাহিনীক ভিত্তি কৰি 'শিৱ ত্ৰিলজী' ৰচনা কৰি উলিয়াইছে। যথেষ্ট অধ্যৱসায় আৰু অধ্যয়নেৰে ৰচনা কৰা সেইবোৰ উপন্যাসে লেখকক জনপ্ৰিয়তাৰ শীৰ্ষত অৱতীৰ্ণ কৰাইছে। সাম্প্ৰতিকভাৱে তেওঁ 'ৰাম ছিৰিজ' ৰচনা কৰি ৰামায়ণৰ বিভিন্ন চৰিত্ৰক নায়ক-নায়িকাৰ ৰূপত উপস্থাপন কৰি উপন্যাস লিখি উলিয়াইছে। তেনেকৈয়ে দেৱদত্ত পাটনায়কেও নানা কাহিনী কথা ৰচনা কৰি পাঠক সমাজৰ মন স্পৰ্শ কৰিব পাৰিছে। ভাৰতীয় অইন ভাষাসমূহতো প্ৰাচীন কাহিনীৰ অৱলম্বনত আধুনিক চিন্তা-চৰ্চ্চাৰে নানা গ্ৰন্থ ৰচিত হৈছে। বাংলা ভাষাত নৃসিংহ প্ৰসাদ ভাদুড়ীয়ে পুৰাণ মহাভাৰতৰ কাহিনী অৱলম্বন কৰি নানা গ্ৰন্থ ৰচনা কৰিছে। দীপক চন্দ আদি কেইবাগৰাকী ঔপন্যাসিকে বাংলা ভাষাত উপন্যাস ৰচনা কৰি উলিয়াইছে।

ড° খৰ্গেশ্বৰ ভূঞাৰ 'যুৱৰাজ' - এটি বিশ্লেষণাত্মক আলোচনা
পাৰভিন চুলতানা ... ৯৩

ড° মালিনীৰ 'উৰ্বশী' ঃ এটি আলোচনা
ড° কল্পনা টায়েং ... ১০১

কাশীকন্যা অম্বা ঃ ড° মালিনী
ড° পূৰবী দুৱৰা ... ১১০

ড° জয়শ্ৰী গোস্বামী মহন্তৰ 'গান্ধাৰী' ঃ এটি বিশ্লেষণ
ড° মঞ্জু লস্কৰ ... ১১৮

ড° মালিনীৰ 'যাজ্ঞসেনী' ঃ বৈচিত্ৰ্য আৰু সৌন্দৰ্য
ড° চাৰু চহৰীয়া নাথ ... ১২৭

পূৰবী বৰমুদৈৰ উপন্যাস 'শান্তনুকুলনন্দন'
নীলিমা বৰা ... ১৩৩

ৰঞ্জু হাজৰিকাৰ 'দেৱযানী' ঃ এটি আলোচনা
ড° গীতা সৰকাৰ ... ১৪২

# ড° খৰ্গেশ্বৰ ভূঞাৰ 'যুৱৰাজ' এটি বিশ্লেষণাত্মক আলোচনা

পাৰভিন চুলতানা

সিংহই যেতিয়ালৈকে নিজৰ কাহিনী নিজে লিখিব নোৱাৰে তেতিয়ালৈকে চিকাৰী সদায় কাহিনীৰ নায়ক হয়। এই কথাষাৰ কোৱাৰ কাৰণ হ'ল যে কাহিনীবোৰ সাধাৰণতে শক্তিশালী বা বিজয়ী পক্ষৰ দৃষ্টিভংগীৰে অধ্যয়ণ বা মূল্যাংকণ কৰা হয়। সেয়ে কাহিনীবোৰ আমাৰ মনত একপক্ষীয় হৈ থাকি যায়। নায়ক, খলনায়ক মুলসুঁতিৰ বিশ্লেষণে ধৰি বান্ধি দিয়ে। কিন্তু সাম্প্ৰতিক সময়ত অৰ্থনীতি, ৰাজনীতি বিজ্ঞান আৰু ইতিহাসকে ধৰি সাহিত্যৰ বিশ্লেষণৰ ক্ষেত্ৰতো এই বাদ পৰি যোৱা দৃষ্টিভংগীক গুৰুত্ব প্ৰদান কৰাৰ কথাই বহু সমৰ্থক লাভ কৰিছে।

ইতিহাসৰ ক্ষেত্ৰত বিশেষকৈ ছাবল্টাৰ্ন ষ্টাডিজৰ নামত ইতিহাসক প্ৰান্তীয় স্থিতিৰ পৰা দেখাৰ প্ৰচেষ্টা কৰা হৈছে। লিখিত ইতিহাস সাধাৰণতে দেশৰ শাসকৰ বিষয়াসকলে যোগান ধৰা তথ্যৰ ভিত্তিত লিখি তৈয়াৰ কৰা হয়। সেয়ে ইতিহাসৰ নাম আমাক 'হেজিওগ্ৰাফী' অৰ্থাৎ ৰজা-মহাৰজাৰ প্ৰশংসাৰ দস্তাবেজ ধৰাই দিয়া হয়। এই দস্তাবেজত সাধাৰণ মানুহ বা প্ৰজাৰ কথা তেনেকৈ স্থান নাপায় বা স্থান পালেও মূল চৰিত্ৰ সদায় শাসকবৃন্দ হৈ থাকে আৰু আমি ইতিহাসৰ সেই সময়খিনিক শাসকৰ দৃষ্টিভংগীৰেহে অধ্যয়ণ কৰিব লাগে। কিন্তু ইতিহাস অধ্যয়ণৰ পৰিৱৰ্তিত পদ্ধতিয়ে শাসক বা শক্তিশালী শ্ৰেণীৰ এই আধিপত্যৰ বিপৰীতে সাধাৰণ মানুহৰ দৃষ্টিভংগীৰে এই ঐতিহাসিক লক্ষণবোৰ অধ্যয়ণ কৰাৰ চেষ্টা কৰিছে।

ঐতিহাসিক ঘটনাবোৰৰ এটি ভিন্ন বিশ্লেষণে সেই সময়ৰ শাসক শ্ৰেণী এক নিৰপেক্ষ মূল্যাঙ্কণতো সহায় কৰে। লগতে ইতিহাসবিদসকলে তথ্যৰ